# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 01-06-2024
**Time :** 17-15 Hrs

# *Assamese Evening Bulletin*

লোকসভা নিৰ্বাচনৰ সপ্তম তথা অন্তিম পৰ্যায়ৰ ভোটগ্ৰহণ অব্যাহত আছে। আজি পুৱা ৭ বজাৰ পৰা ভোটগ্ৰহণ আৰম্ভ হৈ বাতৰি যুগুতোৱাৰ পৰলৈকে ৪৯ দশমিক ৬-৮ শতাংশ ভোটদান সম্পন্ন হৈছে। এই পৰ্যায়ত দেশৰ ৭খন ৰাজ্য আৰু এটা কেন্দ্ৰীয় শাসিত অঞ্চলৰ মুঠ ৫৭টা সমষ্টি সামৰি লোৱা হৈছে। এই পৰ্যায়ত উত্তৰ প্ৰদেশ আৰু পঞ্জাৱৰ ১৩ খনকৈ, পশ্চিমবংগৰ ৯ খন, বিহাৰৰ ৮ খন, ওড়িশাৰ ৬ খন, হিমাচল প্ৰদেশৰ ৪ খন, ঝাৰখণ্ডৰ ৩খন আৰু চণ্ডীগড়ৰ এখন সংসদীয় আসনৰ বাবে প্ৰতিদ্বন্দ্বিতা হৈছে। অন্তিম পৰ্যায়ত ১০ কোটি ৬০ লাখৰো অধিক ভোটদাতাই ৯০৮ গৰাকী প্ৰাৰ্থীৰ ৰাজনৈতিক ভাগ্য নিৰ্ণয় কৰিব। ইয়াৰে ভিতৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, কেন্দ্ৰীয় মন্ত্ৰী অনুৰাগ ঠাকুৰ, ৰবিশংকৰ প্ৰসাদ, অভিনেত্ৰী কংগনা ৰাণাৱট, তৃণমূল কংগ্ৰেছৰ নেতা অভিষেক বেনাৰ্জী, পঞ্জাবৰ পূৰ্বৰ মুখ্যমন্ত্ৰী তথা কংগ্ৰেছ নেতা চৰণজিৎ সিং চান্নী, প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী হৰছিমৰাৎ কৌৰ বাদল, আৰ. জে. ডিৰ মুৰব্বী লালুপ্ৰসাদ যাদৱৰ কন্যা মিছা ভাৰতী, কংগ্ৰেছ নেতা মণীষ তিৱাৰী, বিক্ৰমাদিত্য সিং অন্যতম। আয়োগে ভোটগ্ৰহণ সুচাৰুৰূপে সম্পন্ন কৰাৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিছে। ভোটগ্ৰহণ নিয়াৰিকৈ সম্পন্ন কৰাৰ বাবে ১০ লাখ ৯০ হাজাৰৰো অধিক নিৰ্বাচনী বিষয়া নিয়োগ কৰা হৈছে।

নিৰ্বাচন আয়োগে প্ৰকাশ কৰা শেহতীয়া তথ্য অনুসৰি বিহাৰত ৪২ দশমিক ৯-৫ শতাংশ, চণ্ডিগড়ত ৫২ দশমিক ৬-১ শতাংশ, হিমাচল প্ৰদেশত ৫৮ দশমিক ৪-১ শতাংশ, ঝাৰখণ্ডত ৬০ দশমিক ১-৪ শতাংশ, ওড়িশাত ৪৯ দশমিক ৭-৭ শতাংশ, পঞ্জাবত ৪৬ দশমিক ৩-৮ শতাংশ, উত্তৰ প্ৰদেশত ৪৬ দশমিক ৮-৩ শতাংশ আৰু পশ্চিমবংগত ৫৮ দশমিক ৪-৬ শতাংশ ভোটদান সম্পন্ন হৈছে।

আনহাতে ওড়িশা বিধানসভাৰ ৪২টা বিধানসভা সমষ্টিতো আজি পুৱাৰে পৰা ভোটগ্ৰহণ অব্যাহত আছে। চতুৰ্থ পৰ্যায়ৰ ভোটগ্ৰহণত বাতৰি যুগুতোৱাৰ পৰলৈকে ৪৯ দশমিক ৭-৭ শতাংশ ভোটাৰে নিজৰ গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰিছে।

০০০০

ৰীমালৰ প্ৰভাৱত সৃষ্টি হোৱা নেৰানেপেৰা বৰষুণৰ ফলত ৰাজ্যৰ ১১খন জিলা বানৰ কবলত পৰিছে। বৰাক, কপিলী, কুশিয়াৰা আৰু কাটাখালকে ধৰি কেইবাখনো নৈৰ জলস্তৰ বিপদসীমাৰ ওপৰেৰে বৈ আছে। অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ তথ্য অনুসৰি হাইলাকান্দি, হোজাই, গোলাঘাট, নগাঁও, ধেমাজি, ডিব্ৰুগড়, কৰিমগঞ্জ, কাছাৰ, কাৰ্বি আংলং, পশ্চিম কাৰ্বি আংলং আৰু ডিমা হাচাও জিলাৰ মুঠ ২৫টা ৰাজহ চক্ৰৰ অধীনস্থ ৫৬০ খন গাঁও বানত প্লাৱিত হৈছে। এই পৰ্যন্ত ৰাজ্যৰ মুঠ ৩ লাখ ৪৯ হাজাৰ ৪৫ গৰাকী লোক বানত ক্ষতিগ্ৰস্ত হৈছে। বানৰ ফলত ৰাজ্যখনত ৮ জন ব্যক্তিৰ মৃত্যু হোৱা বুলি জানিব পৰা গৈছে। ইফালে আটাইকেইখন জিলাতে মুঠ ১৪৮টা সাহায্য শিবিৰ আৰু ৩৯টা বান সাহায্য বিতৰণ কেন্দ্ৰ স্থাপন কৰা হৈছে।

আনহাতে বানত এই পৰ্যন্ত উল্লেখিত ১১খন জিলাৰ ১০ লাখ ২৩ হাজাৰ ৬৩টা পশুধনৰ ক্ষতি হোৱাৰ উপৰি মুঠ প্ৰায় ৪ হাজাৰ ৯৩১ হেক্টৰ কৃষিভূমি বানৰ কবলত পৰিছে।

বৰাক উপত্যকাৰ বান ক্ষতিগ্ৰস্ত অঞ্চলত সাহায্য আৰু উদ্ধাৰ অভিযানৰ বাবে ৰাষ্ট্ৰীয় দুৰ্যোগ সহাৰি বাহিনী চমুকৈ এন ডি আৰ এফৰ এটা অতিৰিক্ত দল প্ৰেৰণ কৰা হৈছে। দলটো গুৱাহাটীৰ লোকপ্ৰিয় গোপীনাথ বিমান বন্দৰৰ পৰা শিলচৰ বিমান বন্দৰত উপস্থিত হয়গৈ। উপত্যকাটোত আকস্মিক বানৰ ফলত হোৱা ক্ষয় ক্ষতি ৰোধ কৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰে এনে ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিছে। ইতিমধ্যে বৰাক উপত্যকাৰ তিনিওখন জিলাতে বান ক্ষতিগ্ৰস্তসকলৰ সহায়ৰ বাবে প্ৰশাসনে ব্যৱস্থা গ্ৰহণ কৰাৰ লগতে এন ডি আৰ এফ আৰু এছ ডি আৰ এফে উদ্ধাৰ আৰু সাহায্য অভিযান অব্যাহত ৰাখিছে। কৰিমগঞ্জ জিলাৰ বদৰপুৰ অঞ্চল বৰাক নৈৰ বানে বুৰাই পেলাইছে। জগন্নাথপুৰত ২ শতাধিক লোক মালোৱা পাৱলিক স্কুলত স্থাপন কৰা আশ্ৰয় শিবিৰত আশ্ৰয় লৈ আছে। প্ৰতিকূল বতৰৰ প্ৰতি লক্ষ্য ৰাখি আজিও জিলাখনৰ প্ৰশাসনে সকলো শিক্ষানুষ্ঠান বন্ধ ৰখাৰ নিৰ্দেশ দিয়ে। নগাঁও জিলাত কপিলী নৈৰ পানী বিপদসীমাৰ ওপৰেৰে বৈ থকাৰ লগতে কলঙৰ জলস্তৰো বৃদ্ধি পাইছে।

ইফালে, তিনিচুকীয়া জিলাত বিগত কিছুদিন ধৰি হোৱা ধাৰাষাৰ বৰষুণৰ ফলত ব্ৰহ্মপুত্ৰ আৰু ডিব্ৰু নৈৰ জলপৃষ্ঠ বৃদ্ধি পোৱাত নৈপৰীয়া ৰাইজ শংকিত হৈ পৰিছে। নদিহিং নৈৰ পানীও বাঢ়ি আছে বুলি আমাৰ সংবাদদাতাই জানিবলৈ দিছে। জিলাখনৰ প্ৰশাসনে সম্ভাব্য বান পৰিস্থিতিৰ সৈতে মোকাবিলা কৰাৰ বাবে কাৰ্যকৰী ব্যৱস্থা লৈছে।

০০০০

মানস ৰাষ্ট্ৰীয় উদ্যানত চলিত পৰ্যটন বৰ্ষৰ বাবে জীপ চাফাৰীৰ সময়সীমা ২০ জুনলৈ বৃদ্ধি কৰা হৈছে। উদ্যানখনৰ বাঁহবাৰী বন সংমণ্ডল বিষয়াই প্ৰকাশ কৰা মতে, এই সন্দৰ্ভত আজি জাননী জাৰি কৰা হৈছে। উল্লেখযোগ্য যে ইয়াৰ পূৰ্বে পৰ্যটকৰ বাবে ৰাষ্ট্ৰীয় উদ্যানখনৰ প্ৰবেশদ্বাৰ ৫ জুনত বন্ধ কৰা হ'ব বুলি জাননী দিয়া হৈছিল। বাৰিষাৰ পৰিপ্ৰেক্ষিতত এই সিদ্ধান্ত লোৱা হৈছিল যদিও পৰ্যটকৰ আগমন অব্যাহত থকাৰ লগতে বাট-পথ সুচল হৈ থকালৈ লক্ষ্য ৰাখি জীপ চাফাৰীৰ সুবিধা ২০ জুনলৈ বৃদ্ধি কৰা হৈছে। অৱশ্যে বাঁহবাৰী ৰেঞ্জৰ প্ৰৱেশদ্বাৰৰ পৰা মথনগুৰিলৈ মূল পথটোতহে জীপ চাফাৰীৰ ব্যৱস্থা থাকিব।

০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগে আজি  নিশা ৮ বাজি ২ মিনিটত দৃষ্টিপাত অনুষ্ঠানত **নতুন ফৌজদাৰী আইন** সন্দৰ্ভত আলোচনা প্ৰচাৰ কৰিব। এই অনুষ্ঠানত অধিবক্তা নিকুঞ্জ দেৱ শৰ্মা আৰু অপৰাধ অনুসন্ধান শাখাৰ বিশেষ আৰক্ষী অধীক্ষক প্ৰণৱজ্যোতি গোস্বামী অতিথি হিচাপে উপস্থিত থাকিব। আগ্ৰহী শ্ৰোতাই অনুষ্ঠান চলি থকাৰ সময়ত ০৩৬১-২৬৬১৮৭৬ অথবা ২৬৬২৩২৫ নম্বৰত ফোন কৰি অতিথিৰ সৈতে কথা পাতিব পাৰিব। অনুষ্ঠানটিৰ আঁত ধৰিব মানসপ্ৰতীম শৰ্মাই।

০০০০

উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ নামভৰ্তিৰ বাবে অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদে আজিৰ পৰা পুনৰ দৰ্পন পোৰ্টেল মুকলি কৰিছে। অহা ৯ জুনলৈ পোৰ্টেলটো মুকলি থাকিব আৰু শিক্ষাৰ্থীসকলে যাৱতীয় তথ্যৰ বাবে www.ahsec.assam.gov.in বা darpan.ahseconline.in ৱেবছাইট চাব পাৰিব। লগতে শিক্ষা সংসদে সকলো শিক্ষানুষ্ঠানক ১২ জুনৰ ভিতৰত নামভৰ্তি সম্পূৰ্ণ কৰিবলৈ নিৰ্দেশ দিছে।

০০০০

**ঃঃ সমাপ্ত ঃঃ**